অধ্যায় ১১ ঃ ভাৰতবর্ষৰ বিত্তীয় খণ্ড

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ভাৰতবর্ষত বাণিজ্যিক বেংক

১১.৩.১ বাণিজ্যিক বেংকৰ পৰিবর্তিত ভূমিকা

১১.৪ আঞ্চলিক গ্রাম্য বেংক

১১.৪.১ আঞ্চলিক গ্রাম্য বেংকৰ প্রগতি

১১.৪.২ ভাৰতীয় অর্থনীতিত আঞ্চলিক গ্রাম্য বেংকৰ ভূমিকা

১১.৫ ভাৰতীয় ৰিজাৰ্ভ বেংক

১১.৫.১ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উন্নয়নমূলক ভূমিকা

১১.৬ ভাৰতীয় অর্থনীতিত অনা-বেংক বিত্তীয় প্রতিষ্ঠানৰ (NBFI)ৰ ভূমিকা

১১.৭ বিত্তীয় বজাৰত আৰম্ভ কৰা প্রধান সংস্কাৰ সমূহ

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাষ্ট্রীয় কৰণৰ আগৰ আৰু ৰাষ্ট্রীয় কৰণৰ পিছত বাণিজ্যিক বেংকৰ পৰিবর্ত্তিত ভুমিকা নির্ণয় কৰিব পাৰিব
- আঞ্চলিক গ্রাম্য বেংকৰ ভূমিকা আলোচনা কৰিব পাৰিব
- ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উন্নয়নমূলক ভূমিকা আলোচনা কৰিব পাৰিব
- অনা-বেংক বিত্তীয় প্রতিষ্ঠান (NBFI) ভূমিকাৰ বিষয়ে জানিব পাৰিব
- বিত্তীয় বজাৰত সূচনা কৰা প্রধান সংস্কাৰ সমূহ আলোচনা কৰিব পাৰিব

১১.২ পৰিচয়

এই অধ্যায়টিত আমি ভাৰতবর্ষৰ বিত্তীয় খণ্ডৰ বিষয়ে আলোচনা কৰিম। 'বিত্ত' শব্দৰ অর্থ হ'ল বিভিন্ন গোট যেনে - ব্যক্তি, ব্যৱসায়ীক গোট, কোম্পানী, চৰকাৰ আদিৰ বাবে প্রয়োজন হোৱা মৌদ্রিক সম্পদ সমূহ। ব্যক্তি আৰু পৰিয়ালক উপভোগ আৰু বিনিয়োগৰ লগতে তেওঁলোকৰ দৈনন্দিন চলিত প্রয়োজন সমূহ পূৰণ কৰাৰ বাবে পুঁজিৰ দৰকাৰ হয়। ব্যৱসায়িক

গোট আৰু কোম্পানী সমূহক পুঁজিৰ দৰকাৰ হয় মজুৰি, দৰমহা দিবৰ বাবে, কেঁচা সামগ্ৰী, যন্ত্ৰপাতি ইত্যাদি ক্ৰয় কৰিবৰ বাবে। বিভিন্ন নৈমিত্তিক কাৰ্যসমূহ যেনে আইন - শৃংখলা, প্ৰতিৰক্ষা, সামাজিক সেৱা ইত্যাদি কাৰ্য সম্পাদন কৰিবৰ বাবে চৰকাৰক বৃহৎ পৰিমাণৰ পুঁজিৰ দৰকাৰ হয়। ঠিক তেনেদৰে, বিকাশমূলক আঁচনি সমূহৰ বিত্ত যোগান ধৰিবলৈও চৰকাৰক পুঁজিৰ দৰকাৰ হয়। বিত্তীয় খণ্ডৰ অধীনত ভাৰতীয় অৰ্থনীতিৰ বিকাশত বাণিজ্যিক বেংক সমূহে এক অতি গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। আকৌ, আঞ্চলিক, গ্ৰাম্য বেংক সমূহেও ভাৰতীয় অৰ্থনীতিত গ্ৰাম্য বিত্ত যোগান ধৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

এই অধ্যায়ত আমি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিকাশমূলক ভূমিকা আৰু অনা-বেংক বিত্তীয় খণ্ডৰ ভূমিকা তথা ভাৰতীয় অৰ্থনীতিৰ বিত্তীয় বজাৰত সূচনা কৰা প্ৰধান সংস্কাৰ সমূহৰ বিষয়েও আলোচনা কৰিম।

১১.৩ ভাৰতবৰ্ষত বাণিজ্যিক বেংক

ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ আৰম্ভণি হৈছিল ১৭ শ শতিকাত আৰু তাৰ আগতে থলুৱা বেংকাৰ হিচাপে শেঠ, মহাজন ইত্যাদি আছিল। উন্নৈশ শতিকাৰ আৰম্ভণি ভাগত প্ৰেচিডেন্সি বেংকৰ প্ৰতিষ্ঠাৰ লগে লগে ভাৰতত বাণিজ্যিক বেংকৰ প্ৰণালীবদ্ধ ৰূপৰ প্ৰৱেশ ঘটে। ১৯১৩ চনত এনেকুৱা ১৮ টা বেংক কাৰ্যক্ষম হৈ আছিল। ১৯২০ চনত তিনিটা প্ৰেচিডেন্সি বেংক সংযুক্ত কৰা হৈছিল আৰু ইমপেৰিয়েল বেংক অফ ইণ্ডিয়া (বৰ্তমানৰ ষ্টেট বেংক অব্ ইণ্ডিয়া) প্ৰতিষ্ঠা কৰা হৈছিল। ১৯৪৯ চনত 'বেংকিং ৰেগুলেশ্বন এক্ট' ৰূপায়ণ কৰা হৈছিল আৰু বাণিজ্যক বেংকসমূহ নিয়ন্ত্ৰণৰ সম্পূৰ্ণ ক্ষমতা ভাৰতীয় ৰিজাৰ্ভ বেংকক দিয়া হৈছিল। প্ৰথম পৰিকল্পনাৰ (১৯৫০-৫১) আৰম্ভণিতে ভাৰতবৰ্ষত প্ৰায় ৪৩০ টা বাণিজ্যিক বেংকে কাম কৰি আছিল। কিন্তু পৰৱৰ্তী সময়ত ডাঙৰ বেংকৰ সৈতে সৰু বেংক সমূহৰ একত্ৰীকৰণৰ পাছত এনে বেংকৰ সংখ্যা হ্ৰাস পাইছিল। ১৯৬৯ চনত ১৪ টা প্ৰধান বাণিজ্যিক বেংক ৰাষ্ট্ৰীয় কৰণ কৰা হৈছিল আৰু ইয়াৰ পিছত আন ৬ টা বাণিজ্যিক বেংক ১৯৮০ চনত ৰাষ্ট্ৰীয় কৰণ কৰা হৈছিল। বৰ্তমান ভাৰতত ২৭ টা ৰাষ্ট্ৰায়কৃত বেংকে (ষ্টট বেংক অব্ ইণ্ডিয়াকে ধৰি) কাম কৰি আছে। বেংকিং খণ্ডৰ সংস্কাৰৰ সূচনা কৰাৰ লগে লগে ভাৰতীয় বেংক ব্যৱস্থাৰ গঠনতো এক উল্লেখনীয় পৰিবৰ্তন আহিল। বৰ্তমান ৩৮১ টা অনুসূচীত আৰু ২ টা অনা-অনুসূচীত বেংকে ভাৰতবৰ্ষত কাম কৰি আছে।

১১.৩.১ বাণিজ্যিক বেংকৰ পৰিবৰ্তিত ভূমিকা

আৰম্ভণিৰে পৰাই বাণিজ্যিক বেংক সমূহে ভাৰতৰ অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতত বাণিজ্যিক বেংক সমূহে বিশেষকৈ সম্পদ আহৰণ, গ্ৰাম্য ঋণৰ যোগান, ক্ষুদ্ৰ উদ্যোগলৈ ঋণৰ যোগান ইত্যাদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বাণিজ্যিক বেংকসমূহে ক্ষুদ্ৰ সঞ্চয় আহৰণ আৰু বিভিন্ন ক্ষেত্ৰৰ পৰা বিত্তীয় সম্পদসমূহ আহৰণৰ মূল্যৱান সেৱা আগবঢ়াই আহিছে। এই বেংকসমূহে

শাখা বেংক সম্প্রসাৰণ তাৎক্ষণিক সেৱা ধাৰাবাহিক প্রচাৰৰ জৰিয়তে মানুহৰ মাজত বেংকিং অভ্যাস গঠন কৰাৰ ক্ষেত্রতো অৰিহণা আগবঢ়াইছে। ৰাষ্ট্রীয় কৰণৰ আগতে বাণিজ্যিক বেংক সমূহে দেশৰ ক্ষুদ্র উদ্যোগ সমূহৰ বিকাশৰ প্রতি বিশেষ আগ্রহ দেখুওৱা নাছিল। কিন্তু ১৯৬৯ ৰ জুলাইত ১৪ টা বেংক ৰাষ্ট্রীয় কৰণৰ পিছত এই বেংক সমূহে কিছু পৰিমাণে ক্ষুদ্র উদ্যোগ সমূহলৈ ঋণ সম্প্রসাৰণৰ পদক্ষেপ গ্রহণ কৰে। বিগত কিছু বছৰ ধৰি বাণিজ্যিক বেংক সমূহে দেশৰ ক্ষুদ্র উদ্যোগ সমূহলৈ আগবঢ়োৱা ঋণৰ পৰিমাণ উল্লেখনীয় ভাৱে বৃদ্ধি পাইছে। ৰাষ্ট্রীয়কৰণৰ পিছত চৰকাৰীখণ্ডৰ বেংক সমূহে কৃষি ক্ষুদ্র উদ্যোগ আৰু ৰপ্তানি কাৰক আদি অগ্রাধিকাৰ খণ্ডলৈ ঋণৰ সুবিধা সম্প্রসাৰণ কৰিছে।

বর্তমান তেওঁলোকে গ্রাম্য গ্রাহক সকলৰ ওপৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। আনকি, তেওঁলোকে গ্রাম্য ভাৰতৰ লোকসকলক নিয়মিয়া ভাৱে তেওঁলোকৰ বেংকিং প্রয়োজন আৰু সেৱা আগবঢ়াবলৈও আগ্রহী হোৱা দেখা গৈছে। বাণিজ্যিক বেংকসমূহৰ পৰিবর্তিত ভূমিকা তলত দিয়া ধৰণে দেখুৱাব পাৰি।

- **উন্নত গ্রাহক সেৱাঃ** ১৯৯১ ৰ আগলৈকে ভাৰতৰ সামগ্রিক বেংকিং সেৱা অতি নিম্নমানৰ আছিল। চেকৰ জৰিয়তে পাওনা লবলৈ আৰু টকা জমা থবলৈ দীঘলীয়া শাৰী পাতিব লগা হৈছিল। বর্তমান ভাৰতৰ বেংক সমূহ গ্রাহক আৰু সেৱা কেন্দ্রিক হৈছে। তেওঁলোকৰ সেৱাসমূহ ক্ষিপ্র, দক্ষ আৰু গ্রাহক অনুকূল হৈছে।
- **মোবাইল বেংকিংঃ** মোবাইল বেংকিং সেৱাৰ অধীনত গ্রাহক সকলে সহজতে তেওলোকৰ চেল ফোন বা মোবাইল ফোন ব্যৱহাৰ কৰি প্রধান বেংকিং লেনদেন সমূহ সম্পন্ন কৰিব পাৰে।
- **চকাৰ ওপৰতে বেংক** (Bank on wheels) ঃ ভাৰতৰ উত্তৰ - পূর্বাঞ্চলত চকাৰ ওপৰতে বেংক সেৱা আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত ভাৰতৰ দূৰ-দূৰণিৰ অঞ্চলত থকা লোক সকলৰ বাবে বেংক সেৱা উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে।
- **পত্রীয় ব্যৱস্থাপনা** (Portfolio Management) ঃ পত্রীয় ব্যৱস্থাপনাত বেংকে তেওঁলোকৰ গ্রাহক সকলৰ সকলো ধৰণৰ বিনিয়োগৰ কাম-কাজ কৰি দিয়ে। বেংকে গ্রাহক সকলক অংশপত্র (Share), ডিবেঞ্চাৰ (Debenture), ম্যাদি জমা (Fixed Deposit) ইত্যাদিত বিনিয়োগ কৰাত সহায় কৰে।
- **ইলেক্ট্রৰ' মেগনেটিক কার্ডৰ বিতৰণ ঃ** বেংক সমূহে ভাৰতত ইতিমধ্যে তেওঁলোকৰ গ্রাহক সকললৈ ইলেক্ট্রৰ' মেগনেটিক কার্ড সমূহ বিতৰণ কৰিছে। এই কার্ডসমূহে নগদ বিহীন লেন-দেন সম্পন্ন কৰা, অনলাইন ক্রয়, ATM সুবিধা লাভ কৰা, ৰেলৰ টিকট ক্রয় কৰা ইত্যাদিৰ ক্ষেত্রত সহায় কৰে। বেংক সমূহে বিভিন্ন ধৰণৰ ইলেক্ট্রৰ' মেগনেটিক কার্ড বিতৰণ কৰে। যেনে - ক্রেডিট কার্ড, ডেবিট কার্ড, ***চার্জ কার্ড, স্মার্ট কার্ড, কিষাণ ক্রেডিট কার্ড*** ইত্যাদি।



চার্জ কার্ড সমূহ এমাহৰ বাবে এক নির্দিষ্ট পৰিমানৰ টকা খৰচ কৰা বাবে ব্যৱহাৰ কৰা হয়। ***স্মার্ট কার্ড*** সমূহ বর্তমান ৰাজহুৱা পৰিবহন সেৱা উপলব্ধ কৰিবৰ বাবে এক বিকল্প হিচাপে ব্যৱহাৰ কৰা হৈছে। ***কিষাণ ক্রেডিট কার্ড*** সমূহ ভাৰতৰ গ্রাম্য জনসাধাৰণৰ হিতার্থে ব্যৱহাৰ কৰা হয়।

- **ইন্টাৰনেট বেংকিং ঃ** ইন্টাৰনেট বেংকিঙক 'ই-বেংকিং' বা 'নেট বেংকিং' বুলিও কোৱা হয়। ইয়াত গ্ৰাহক সকলে বেংকৰ লেনদেন সমূহ ইন্টাৰনেট বা ওৱৰ্ল্ড ৱাইড ওৱেব (WWW) ৰ মাধ্যমত সম্পন্ন কৰিব পাৰে। ইয়াত গ্ৰাহক সকলে বেংকৰ শাখালৈ যোৱাৰ প্ৰয়োজন নহয়। এই সুবিধাৰ জৰিয়তে গ্ৰাহক সকলে সহজতে বেংকৰ জমা চাব পাৰে তথা মুদ্ৰা (টকা) হস্তান্তৰ ইত্যাদি সহজতে কৰিব পাৰে।

বেংক ব্যৱস্থাৰ বিকাশৰ দৃষ্টিকোণৰ পৰা বেংক ৰাষ্ট্ৰীয় কৰণৰ পাছৰ সময়ছোৱা অতি গুৰুত্বপূৰ্ণ, যিহেতু এই সময়ছোৱাত বেংক ব্যৱস্থাটোৰ পৰিসৰ আৰু সমৃদ্ধিয়ে এক অভূতপূৰ্ব প্ৰগতি লাভ কৰিছিল। গ্ৰাম্য শাখা মুকলি কৰণে গ্ৰাম্য খণ্ডত সঞ্চয় সংগ্ৰহৰ উন্নতি সাধন কৰিছে। বৰ্তমান গ্ৰাম্য জমা মুঠ জমাৰ প্ৰায় ১৫%। দেশত বেংক ৰাষ্ট্ৰীয় কৰণৰ পিছৰে পৰা মুঠ বেংক ঋণৰ ভিতৰত অগ্ৰাধিকাৰ খণ্ডলৈ আগবঢ়োৱা ঋণৰ পৰিমাণ প্ৰায় ১৪% ৰ পৰা ৩৬% লৈ বৃদ্ধি হৈছে। যোৱা কেইবাবছৰ জুৰি দেশৰ তুলনামুলক ভাৱে কম উন্নত অঞ্চল সমুহত বেংক ব্যৱস্থাই দ্ৰুত গতিত বিকাশ লাভ কৰিছে আৰু ফলস্বৰূপে বৈষম্য হ্ৰাস পাইছে তথা নগৰ অঞ্চলত বেংক ব্যৱসায়ৰ কেন্দ্ৰীভূত কৰণ বৰ্তমান কমি আহিছে। সামগ্ৰিক অৱস্থাটো বিৱেচনা কৰি ক'ব পাৰি যে ৰাষ্ট্ৰীয়কৰণৰ পিছৰ পৰ্যায়ৰ পৰা বেংক সমূহৰ সামগ্ৰিক লাভ কম আছিল বা ঋণাত্মক আছিল আৰু এইবোৰৰ অনুৎপাদনশীল ঋণ মুঠ ঋণৰ শতাংশ হিচাপে আৰু সম্পদৰ শতাংশ হিচাপে দুয়োটাই যথেষ্ট বেছি আছিল। আন কথাত, এইবোৰৰ বিত্তীয় অৱস্থা আছিল চূড়ান্ত ভাৱে দুৰ্বল। এই অৱস্থাৰ উন্নতি হৈছিল ১৯৯০ ৰ সময়ছোৱাত কাৰ্যকৰী কৰা বিভিন্ন সংস্কাৰ ব্যৱস্থাৰ পাছতহে। কেতবোৰ নিৰ্দিষ্ট সীমাবদ্ধতাৰ বাহিৰে ৰাষ্ট্ৰীয়কৰণৰ পিছৰ পৰ্যায়ত বাণিজ্যিক বেংকসমূহৰ সফলতা আছিল নিশ্চিতভাৱে উৎসাহজনক।

১১.৪ আঞ্চলিক গ্ৰাম্য বেংক

গ্ৰাম্য বেংকিং খণ্ড সমৰ্থন কৰাৰ উদ্দেশ্যে বিগত সময়ছোৱাত সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ ঋণৰ প্ৰয়োজনীয়তা পূৰ কৰাৰ উদ্দেশ্যে সমগ্ৰ ভাৰততে আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠান বোৰে দেশৰ গ্ৰাম্যাঞ্চলৰ সৰ্বাঙ্গীণ বিকাশৰ ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আঞ্চলিক গ্ৰাম্য বেংক সমূহে গ্ৰাম্য ঋণ ব্যৱস্থাত এক উচ্চ পৰ্যায়ৰ গুৰুত্ব লাভ কৰি আহিছে। মূলত ঃ গ্ৰামাঞ্চলত বেংকিং সুবিধাৰ বৃহৎ শূণ্যতা বিবেচনা কৰি ৭০ দশকৰ শেষৰ ফালে ভাৰতীয় ৰিজাৰ্ভ বেংকে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সৈতে গ্ৰামাঞ্চলৰ লোক সকলৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰা তথা, গ্ৰাম্য জনতাৰ মাজত সঞ্চয় উৎসাহিত কৰাৰ উদ্দেশ্য আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰিছিল। গ্ৰাম্য বেংকৰ ওৰ্কিং গ্ৰুপৰ পৰামৰ্শ মতে, বাণিজ্যিক বেংক আৰু সমবায় বেংকক গ্ৰাম্য ঋণৰ যোগানৰ পৰিপূৰক হিচাপে কাম কৰিবলৈ ১৯৭৫ ত আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হৈছিল। ভাৰতৰ আঞ্চলিক গ্ৰাম্য বেংক সমূহৰ মুখ্য উদ্দেশ্য হ'ল বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত কৃষক, কৃষি শ্ৰমিক আৰু ক্ষুদ্ৰ উদ্যোগী সকলক

দেশৰ গ্ৰামাঞ্চলৰ বিভিন্ন খণ্ডৰ বিকাশৰ বাবে ঋণ আৰু অন্যান্য সা- সুবিধা আগবঢ়োৱা। প্ৰাথমিক অৱস্থাত ১৯৭৫ চনত পাঁচটা আঞ্চলিক বেংক (উত্তৰ প্ৰদেশত ২টা, জয়পুৰত ১টা, হাৰিয়ানাত ১টা আৰু পশ্চিমবংগত ১টা) ভাৰতীয় ষ্টেট বেংকৰ তত্বাৱধানত প্ৰতিষ্ঠা কৰা হৈছিল। এই ৫ টা বেংকৰ এক কৌটি টকাকৈ কৰ্তৃত্বমূলক মূলধন (Authorised Capital) আৰু ২৫ লাখ টকাকৈ প্ৰাপ্ত (Paid up Capital) মূলধন আছিল। এই বেংকসমূহত কেন্দ্ৰীয় চৰকাৰে ৫০%, ৰাজ্য চৰকাৰে ১৫% আৰু বাকী ৩৫% বাণিজ্যিক বেংক সমূহে অংশ মূলধন (Share Capital) হিচাপে আগবঢ়াইছিল। ভাৰতীয় ৰিজাৰ্ভ বেংক এই বেংক সমূহক ৩% হাৰত CRR আৰু ২৫% হাৰত SLR ৰাখিবলৈ অনুমোদন জনাইছে।

১১.৪.১ আঞ্চলিক গ্ৰাম্য বেংকৰ প্ৰগতি

প্ৰতিষ্ঠাৰ পিছত আঞ্চলিক গ্ৰাম্য বেংক (RRB) সমূহে উল্লেখনীয়ভাৱে গোটেই দেশতে ইয়াৰ নেটৱৰ্ক সম্প্ৰসাৰণ কৰিছিল। বৰ্তমান ভাৰতত প্ৰায় ১৪,৪৮৪ টা শাখাৰে ১৯৬ টা আঞ্চলিক গ্ৰাম্য বেংকে কাম কৰি আছে। RRB সমূহৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ মাজত তথা তত্বাবধায়ক বেংক- দুয়োটা ক্ষেত্ৰতে ব্যাপক পাৰ্থক্য দেখা যায়। যদিও RRB সমূহ ২৬ খন ৰাজ্যতেই সম্প্ৰসাৰিত হৈ আছে, তথাপিও ইয়াৰ আটাইটকৈ বেছি অৱস্থিতি ৭ খন ৰাজ্যতহে দেখা যায়। সেইবোৰ হ'ল অন্ধ্ৰপ্ৰদেশ, বিহাৰ, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান আৰু উত্তৰ প্ৰদেশ। দেশৰ প্ৰধান ৰাজ্য সমূহৰ ভিতৰত উত্তৰ প্ৰদেশত সৰ্বাধিক সংখ্যক RRB অৰ্থাৎ ৩৬ টা আৰু কেৰালাত মাত্ৰ ২ টা RRB আছে। মণিপুৰ, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত মাত্ৰ ১ টাকৈ RRB আছে। একেদৰে, ২৮ টা তত্বাবধায়ক বেংকৰ ভিতৰত ৭ টা তত্বাৱধায়ক বেংক যেনে - বেংক অৱ বৰোদা, চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়া, পাঞ্জাৱ নেশ্যনেল বেংক, ষ্টেট বেংক অৱ ইণ্ডিয়া, ইউনাইটেড বেংক আৰু ইউকো বেংকে তিনি পঞ্চমাংশতকৈ অধিক RRB ৰ তত্বাৱধান কৰে। ২০০৪ ৰ মাৰ্চত ১৬০ তকৈ অধিক RRB এ লাভ অৰ্জন কৰিছিল। আনহাতে, ২০০০ - ২০০১ চনৰ পৰা ধাৰাবাহিক তিনিটা বছৰত ১৫০ টা RRB য়ে হে লাভ আহৰণ কৰা দেখা যায়। আধাতকৈ অধিক সংখ্যক লোকচানৰ সন্মুখীন হোৱা এই RRB সমূহ ৪ খন ৰাজ্যত কাম কৰি থকা দেখা যায়। সেইকেইখন হ'ল - বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু উৰিষ্যা। তত্বাবধায়ক বেংকৰ ফালৰ পৰা চালে তিনিটা বেংক যেনে - বেংক অব্ ইণ্ডিয়া, চেন্ট্ৰেল বেংক অব্ ইণ্ডিয়া আৰু ষ্টেট বেংক অব্ ইণ্ডিয়া আধাতকৈ বেছি লোকচানৰ সন্মুখীন হোৱা RRB ৰ দায়িত্বত আছিল।

১৯৯৬ লৈকে RRB সমূহে গ্ৰামাঞ্চলৰ লোকক প্ৰায় ১৫০০ কৌটি টকা ঋণ প্ৰদান কৰিছে আৰু ৯০% তকৈ অধিক ঋণ সমাজৰ দুৰ্বল শ্ৰেণীলৈ আগৱঢ়োৱা হৈছে। বিগত ২০ বছৰত RRB য়ে নতুন ২০ দফীয়া আঁচনিৰ অধীনত অন্তৰ্ভুক্ত আৰু চিনাক্তকৃত

হিতাধিকাৰীলৈ ঋণ সাহায্য প্ৰদানৰ বাবে প্ৰস্তুত কৰা বিভিন্ন আঁচনি, IRDP আৰু অনুসূচীত জাতি তথা জনজাতিৰ বাবে প্ৰস্তুত কৰা অন্যান্য আঁচনি সমূহত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি আহিছে। RRB সমূহে ঔদ্যোগিক আঁচনিৰ পৃথকীকৃত হাৰত সমাজৰ দুখীয়া শ্ৰেণী আৰু শাৰীৰিক ভাৱে বাধাগ্ৰস্ত লোক সকললৈও ঋণ আগৰঢ়াই আহিছে।

বিগত সময়ছোৱাত RRB সমূহে বিভিন্ন ব্যৱসায় সূচকত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। উদাহৰণস্বৰূপে, ১৯৮০ আৰু ১৯৯০ ৰ সময়ছোৱাৰ ভিতৰত RRB ৰ জমা ওঠৰ গুণ আৰু ঋণ তেৰ গুণ বৃদ্ধি পাইছে। ঠিক তেনেদৰে, ১৯৯০ আৰু ২০০৪ ৰ মাজত জমা আৰু ঋণ যথাক্ৰমে চৈধ্যগুণ আৰু সাত গুণলৈ বৃদ্ধি পাইছে। ২০০০ আৰু ২০০৪ ৰ ভিতৰত RRB য়ে প্ৰদান কৰা ঋণৰ পৰিমাণ দুগুণতকৈও বেছি হৈছে আৰু ইয়াৰ ফলত গ্ৰাম্য খণ্ডত ঋণৰ প্ৰবাহ উন্নত হোৱাটো প্ৰতিফলিত হৈছে। প্ৰতিটো শাখাৰ গড় ঋণৰ পৰিমাণো ১৯৯০ ৰ মাৰ্চত ২৫ লাখ টকাৰ পৰা ২০০৩ ৰ মাৰ্চত ১৫৪ লাখ টকালৈ বৃদ্ধি পাইছে। যেতিয়া সঞ্চয় সংগ্ৰহৰ তুলনামূলক ভাৱে ঋণ প্ৰদানৰ কথা বিবেচনা কৰা হয়, তেতিয়া দেখা যায় যে, RRB সমূহে কাম কৰিবলৈ আৰম্ভ কৰা প্ৰথম দশকটোত, অৰ্থাৎ প্ৰায় ১৯৮৭ লৈকে, RRB ৰ ঋণ-জমা (Credit-Deposit) অনুপাত ১০০% তকৈ বেছি আছিল। যদিও RRB সমূহৰ এই ঋণ-জমা অনুপাত পৰবৰ্তী সময়ত নিম্নগামী হৈছিল, শেহতীয়া ভাৱে ইয়াৰ উন্নতি হৈছে আৰু ২০০০ ৰ মাৰ্চত ৩৯% ৰ পৰা ২০০৪ ৰ মাৰ্চত ৪৪.৫% লৈকে বৃদ্ধি পাইছে।

চৰকাৰৰ বিত্তীয় অন্তৰ্ভুক্তি কৰণ (financial inclusion) পৰিকল্পনা কাৰ্যকৰী কৰি তুলিবলৈ আৰু বেংক নথকা আৰু কমকৈ বেংক থকা গ্ৰামাঞ্চলত বেংকিং নেটৱৰ্ক সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্য আঞ্চলিক গ্ৰাম্য বেংকে (RRB) পূৰ্বৰ বছৰবোৰতকৈ ২০১১-১২ আৰু ২০১২-১৩ ত শাখা সম্প্ৰসাৰণ আঁচনি ১০% বৃদ্ধি কৰিছে। সেই অনুসৰি, RRB সমূহে ২০১১-১২ ত ১২৪৭ টা শাখা খোলাৰ লক্ষ্যৰ বিপৰীতে ৯১৩ টা শাখা খুলিবলৈ সক্ষম হৈছে। এই সংখ্যাই ২০১০-১১ ত ৫২১ টা শাখা আৰু ২০০৯-১০ ত ২৯৯ টা শাখা খোলাৰ সংখ্যাতকৈ তুলনামূলক ভাৱে অধিক সন্তোষজনক। ২০১২-১৩ ৰ বাবে ১৮৪৫ টা নতুন শাখা খোলাৰ লক্ষ্যও নিৰ্ধাৰণ কৰা হৈছিল।

১১.৪.২ ভাৰতীয় অৰ্থনীতিত আঞ্চলিক গ্ৰাম্য বেংকৰ ভূমিকা

গ্ৰাম্য সমাজৰ দুৰ্বল আৰু অৱহেলিত লোক সকললৈ বিভিন্ন ধৰণৰ ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংক সমূহে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। RRB ৰ অলপতে প্ৰকাশিত প্ৰতিবেদন অনুসৰি, "সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক সকললৈ আনুষ্ঠানিক ঋণ প্ৰদান কৰা উদ্দেশ্যত RRB সমূহ লক্ষণীয় ভাৱে সফল হৈছে, কিন্তু ঋণ ঘূৰাই পোৱা অৱস্থাটো সম্পূৰ্ণ ভাৱে সন্তোষজনক নহয়।"

বিত্তীয় ব্যৱস্থাৰ ওপৰত নৰসিংহম কমিটিৰ (Narasimham Committee) দ্বাৰা RRB সমূহৰ কার্যৰ মূল্যায়ন কৰা হৈছিল। যদিও বাণিজ্যিক বেংকৰ শাখাৰ কম ব্যয়ৰ বিকল্প হিচাপে গ্রামাঞ্চলত RRB সমূহ প্রতিষ্ঠা কৰা হৈছিল, কিন্তু RRB সমূহৰ কার্য আশানুৰূপ নাছিল। কমিটিয়ে RRB ৰ তিনিটা মৌলিক সমস্যা উল্লেখ কৰিছে।

- এই বেংক সমূহৰ আওতাত অহা ব্যৱসায়ৰ ক্ষেত্রসমূহৰ ওপৰত আৰোপ কৰা অত্যধিক প্রতিবন্ধকতাৰ বাবে RRB সমূহৰ উপার্জন ক্ষমতা কম।
- অলপতে RRB সমূহৰ মজুৰি আৰু দৰমহাৰ নিৰিখ বাণিজ্যিক বেংকৰ লগত একে কৰাৰ ফলত বাণিজ্যিক বেংকৰ কম ব্যয়ৰ বিকল্প হিচাপে কাম কৰাৰ ধাৰণাটো বাতিল হৈছে আৰু
- RRB সমূহৰ কার্যাৱলীৰ এলেকা সমূহো তত্বাৱধায়ক বেংকসমূহে তেওঁলোকৰ নিজা গ্রাম্য শাখা মুকলি কৰাৰ ফলত সেৱাৰ দ্বৈততা আৰু নিয়ন্ত্রণ আৰু প্রশাসনৰ ক্ষেত্রত কেতবোৰ আঁসোৱাহে দেখা দিছে।

কিন্তু RRB সমূহৰ এই অপাৱদর্শী প্রকৃতিৰ বাবে জগৰীয়া কেতবোৰ অর্ন্তনিহিত কাৰক আছে। এইবোৰৰ ভিতৰত -

- RRB সমূহে ইয়াৰ শাখা স্থাপন কৰিব পাৰে কেৱল বেংক বিহীন আৰু কম বেংক থকা অঞ্চলতহে ;
- RRB সমূহৰ ঋণ প্রদান কার্য কেৱল মাত্র গ্রাম্য আৰু চহৰীয়া উপকণ্ঠ অঞ্চলৰ ক্ষুদ্র ঋণ লওঁতা সকলৰ মাজতে সীমাবদ্ধ; আৰু
- RRB সমূহে ইয়াৰ ঋণৰ ওপৰত আৰোপ কৰা সুতৰ হাৰ তুলনামূলকভাৱে কম।

আঞ্চলিক গ্রাম্য বেংক সমূহে দেশৰ অন্যান্য বাণিজ্যিক বেংক সমূহতকৈ কার্যাৱলীৰ ফালৰ পৰা ইয়াৰ শ্রেষ্ঠতা প্রতিষ্ঠা কৰিছে। এই শ্রেষ্ঠতা বিভিন্ন ৰাজ্যত RRB সমূহৰ শাখা কার্যালয়ে অৱদান যোগোৱা সঞ্চয়ৰ অংশৰ ক্ষেত্রত দেখা যায়। উদাহৰণস্বৰূপে, ১৯৯১ ৰ ডিচেম্বৰত উত্তৰ প্রদেশৰ দৰে ৰাজ্যত RRB ৰ এই শাখা সমূহৰ সঞ্চয়ৰ অংশ অন্যান্য বাণিজ্যিক বেংকৰ মাত্র ১২.৪% ৰ তুলনাত ২৫.৭% আছিল।

এই সফলতা উল্লেখনীয়, যদি আমি বিবেচনা কৰোঁ যে বাণিজ্যিক বেংকৰ শাখাৰ সংখ্যাতকৈ (১৩৬১) RRB ৰ শাখাৰ সংখ্যা আছিল তেনেই কম (১১৯৩)। তদুপৰি, RRB ৰ সঞ্চয়ৰ অংশ হাৰিয়ানাতো অন্যান্য বাণিজ্যিক বেংক সমূহতকৈ অধিক আছিল, যদিও আন বাণিজ্যিক বেংস সমূহৰ শাখাৰ সংখ্যা RRB তকৈ তুলনামূলকভাৱে দুগুণ আছিল।

আন এটা গুৰুত্বপূর্ণ লক্ষণীয় কথা হ'ল যে RRB ৰ প্রায়বোৰ শাখাই বেংক বিহীন কেন্দ্র সমূহত খোলা হৈছিল আৰু সেইবাবে এই বেংকসমূহে সংগ্রহ কৰা সঞ্চয় সমূহ সম্পূর্ণ নতুন আছিল; অর্থাৎ ১৯৮০ত RRB প্রতিষ্ঠাৰ আগতে থকা শাখাৰ পৰা

পৰিৱৰ্তিত কৰি অনা সঞ্চয় নাছিল। ঋণ প্ৰদানৰ ক্ষেত্ৰত লক্ষ্যস্থিত দল (target group) চিনাক্ত কৰণৰ ক্ষেত্ৰত RRB সমূহ সফল হৈছিল আৰু সেই সকলৰ ঋণৰ প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰতো সফল হৈছিল।

মূলতঃ গ্ৰাম্য ভাৰতৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত RRB সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰে। ভাৰতত আঞ্চলিক গ্ৰাম্য বেংক সমূহ প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্য আছিল গ্ৰামাঞ্চলৰ লোকসকল, যি সকল অৰ্থনৈতিক ভাৱে সৱল নহয়; বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক সকল, কাৰিকৰ সকল, কৃষিশ্ৰমিক সকল আৰু আনকি ক্ষুদ্ৰ উদ্যোগী সকললৈকো ঋণ প্ৰদান কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ভাৰতত বাণিজ্যিক বেংকৰ পৰিবৰ্তত ভূমিকা বাখ্যা কৰক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ ভাৰতীয় অৰ্থনীতিত RRB ৰ ভূমিকা বাখ্যা কৰক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

১১.৫ ভাৰতীয় ৰিজাৰ্ভ বেংক

ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ অনুসৰি অংশীদাৰ সকলৰ বেংক হিচাপে ১৯৩৪ ৰ ১ এপ্ৰিলত ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰথমতে, এই বেংকটো এটা পাঁচ কৌটি টকাৰ অংশ মূলধনৰ সৈতে এটা যৌথ মূলধনী বেংক হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। কিন্তু RBI আইন ১৯৪৮ অনুসৰি, ১৯৪৯ ত চৰকাৰে ভাৰতীয় ৰিজাৰ্ভ বেংকক ৰাষ্ট্ৰীয় কৰণ কৰে আৰু ইয়াৰ পিছত RBI য়ে দেশৰ সৰ্বোচ্চ বেংকিং প্ৰতিষ্ঠান আৰু কেন্দ্ৰীয় বেংক হিচাপে কাম কৰি আহিছে।

কার্যাৱলী সমূহ ঃ বেংক ব্যৱস্থাটোৰ শীর্ষ প্রতিষ্ঠান হিচাপে ভাৰতীয় ৰিজার্ভ বেংকে মুদ্রা ব্যৱস্থাপনা, বেংকিং সেৱা, বৈদেশিক বিনিময়, বিকাশ মূলক কার্য আৰু অর্থনৈতিক সমস্যাৰ গৱেষণাৰ লগত জড়িত বিভিন্ন কার্যাৱলী সম্পাদন কৰি আহিছে। RBI ৰ কেতবোৰ গুৰুত্বপূর্ণ কার্যাৱলী হ'ল -

নোট ছপা ঃ দেশৰ কেন্দ্রীয় বেংক হিচাপে RBI সোণকে ধৰি এক নিম্নতম ৰিজার্ভ ৰখাৰ পিছত নোট ছপাৰ একক কর্তৃত্ব RBI হাতত অর্পন কৰা হৈছে।

চৰকাৰৰ বেংক ঃ RBI য়ে চৰকাৰৰ বেংক হিচাপে কাম কৰে আৰু সেইবাবে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ উভয়ৰে সকলোবোৰ পুঁজি ইয়াত জমা ৰখা হয়। ই চৰকাৰৰ এক এজেন্ট হিচাপে কাম কৰে আৰু সকলো ধৰণৰ চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণৰ ব্যৱস্থাপনা কৰে।

বেংক সমূহৰ বেংক ঃ RBI য়ে এক নির্দিষ্ট শতাংশৰ ৰিজার্ভ সংৰক্ষণ কৰি দেশৰ বেংক ব্যৱস্থাটোক নিয়ন্ত্রণ কৰে। সেইবাবে, RBI ক 'বেংক সমূহৰ বেংক' বুলি কোৱা হয়।

ঋণ নিয়ন্ত্রণ ঃ বাণিজ্যিক বেংকে বিভিন্ন উপায়েৰে সৃষ্টি কৰা ঋণ নিয়ন্ত্রণৰ একক ক্ষমতা RBI ৰ হাতত আছে। ই অর্থনীতিত মুঠ মুদ্রা যোগানৰ পৰিমাণো নিয়ন্ত্রণ কৰে।

বৈদেশিক বিনিময় মুদ্রাৰ ৰক্ষক ঃ বৈদেশিক বিনিময় হাৰ নির্ধাৰণ আৰু বৈদেশিক বিনিময়ৰ ভৰাঁল ব্যৱস্থাপনাৰ একক কর্তৃত্ব RBI ৰ হাতত অর্পণ কৰা হৈছে।

উন্নয়নমূলক কার্য ঃ RBI য়ে বিভিন্ন সংগঠনৰ বিকাশৰ যোগেদি এক উন্নয়নমূলক অভিকৰণ হিচাপেও কাম কৰে। এনে সংগঠনবোৰ হ'ল কৃষি পুনৰৰিত্ত উন্নয়ন নিগম (Agricultural Refinance Development Corporation), নাবার্দ (NABARD), IDBI ইত্যাদি।

হু১১.৫.১ ভাৰতীয় ৰিজার্ভ বেংকৰ উন্নয়নমূলক ভূমিকা

ৰাষ্ট্রীয় পর্যায়ত অর্থনৈতিক উন্নয়নৰ লগে লগে RBI ৰ ওচৰত নতুন দাবী সমূহ উত্থাপন হয় আৰু ইয়াৰ কার্যাৱলী সমূহ ক্রমান্বয়ে বৃদ্ধি পায়। বর্তমান RBI এ বিভিন্ন বিকাশমূলক আৰু উন্নয়নমূলক কার্যাৱলী সম্পাদন কৰে। আগতে এই কার্যাৱলীসমূহ কেন্দ্রীয় বেংকৰ পৰিসৰৰ বাহিৰত আছিল। অন্য কথাত, RBI ৰ কার্যাৱলী সমূহ বর্তমান কেৱল মাত্র মুদ্রা বজাৰৰ প্রতিবন্ধকতা মূলক নিয়ন্ত্রণতেই সীমাবদ্ধ থকা নাই। বর্তমান ই বেংক আৰু অন্যান্য বিত্তীয় প্রতিষ্ঠান সমূহৰ যোগেদি উৎপাদনশীল উদ্দেশ্যত সঞ্চয় সংগ্রহ কৰাৰ প্রচেষ্টা চলায়। ভাৰতৰ বিত্তীয় ব্যৱস্থাৰ সৰহভাগ এতিয়াও অসংগঠিত। এই অসংগঠিত খণ্ডৰ অন্তর্ভুক্ত হ'ল- থলুৱা বেংকাৰ, মহাজন আদি এইবোৰৰ কার্যকলাপৰ ওপৰত RBI ৰ কোনো নিয়ন্ত্রণ নাই। এই পৰম্পৰাগত ঋণ প্রতিষ্ঠান সমূহৰ কার্যপ্রণালী অতি ত্রুটিপূর্ণ আৰু এইবোৰৰ কার্যাৱলী সম্পূর্ণভাৱে ঋণ লওঁতাক শোষণ কৰাৰ ইচ্ছাৰে পৰিচালিত। এই কাৰণে RBI বাণিজ্যিক বেংকৰ ওপৰত তেওঁলোকৰ শাখা সমূহে অর্দ্ধ চহৰ আৰু গ্রাম্য অঞ্চলত খুলিবলৈ হেঁচা প্রয়োগ কৰি আহিছে। পৰিণতিত ই থলুৱা বেংকাৰ আৰু মহাজনৰ ওপৰত মানুহৰ নির্ভৰশীলতা হ্রাস কৰিছে। বিশেষকৈ,

গাঁও অঞ্চলৰ গ্ৰাহক সকলৰ প্ৰয়োজনীয়তা অনুসৰি ইয়াৰ কাৰ্যাৱলীৰ সমাযোজন কৰিবলৈ বাণিজ্যিক বেংকসমূহে বিভিন্ন উদবাৱনীমূলক বেংকিং কাৰ্যাৱলী আৰম্ভ কৰিছে। ভাৰতবৰ্ষত বেংক ব্যৱসায়ৰ এক প্ৰধান অন্তৰায় আছিল সঞ্চয় সংগ্ৰহৰ অযথাথ ব্যৱস্থাৰ বাবে সঘনাই হৈ থকা বেংক ব্যৰ্থতা। সেইবাবে সঞ্চয়কাৰী সকলক সুৰক্ষা দিয়াৰ উদ্দেশ্য RBI য়ে ১৯৬২ চনত ডিপজিট ইঞ্চুৰেঞ্চ ক'ৰপোৰেচন অৰ্ ইণ্ডিয়া (Deposit Insurance Corporation of India) প্ৰতিষ্ঠা কৰে। সঞ্চয় সংগ্ৰহৰ বাবে RBI য়ে ১৯৬৪ ত ইউনিট ট্ৰাষ্ট অৰ্ ইণ্ডিয়া (U.T.I) প্ৰতিষ্ঠাৰ যোগেদি এক সক্ৰিয় ভূমিকা পালন কৰে।

যিহেতু ভাৰত এখন উন্নয়নশীল ৰাষ্ট্ৰ আৰু প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেয়ে প্ৰতিষ্ঠানিক কৃষি ঋণৰ বিকাশ কৰাটো RBI ৰ এটা প্ৰধান কাৰ্য। প্ৰকৃততে প্ৰতিষ্ঠা কালৰে পৰাই ই RBI ৰ এক বিধিগত দায়বদ্ধতা। ১৯৬৩ চনত RBI য়ে কৃষি পুনৰবিত্ত উন্নয়ন নিগম (ADRC) প্ৰতিষ্ঠা কৰে। ইয়াৰ পিছত RBI এ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (NABARD) প্ৰতিষ্ঠা কৰে। নাবার্ডৰ প্ৰায় আধা অংশ মূলধন RBI য়ে প্ৰদান কৰে। আকৌ, ভাৰতৰ দৰে পিছপৰা দেশত উদ্যোগিক বিকাশৰ কাৰণে ঔদ্যোগিক বিত্ত অতি প্ৰয়োজন। সাধাৰণতে, বানিজ্যিক বেংক দীৰ্ঘম্যাদী ঋণ দিয়াৰ পৰা বিৰত থাকে। কিন্তু উদ্যোগৰ বিত্তীয় প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে ঔদ্যোগিক বিত্তৰ বিশেষীকৃত প্ৰতিষ্ঠানৰ প্ৰয়োজন। সেইবাবে RBI য়ে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ভাৰতীয় ঔদ্যোগিক বিত্ত নিগম (Industrial Finance Corporation of India: IFCI) ইত্যাদিৰ দৰে বিশেষীকৃত ঔদ্যোগিক বিত্তৰ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাত সক্ৰিয় ভূমিকা পালন কৰিছে। এইবোৰৰ উপৰিও RBI য়ে চৰকাৰৰ এক উপদেষ্টা হিচাপে কাম কৰে। দেশৰ বিকাশৰ প্ৰক্ৰিয়াৰ লগে লগে এই কাৰ্যাৱলীৰ গুৰুত্ব লক্ষণীয় ভাৱে বৃদ্ধি পাইছে। সেইবাবে RBI য়ে দেশৰ উন্নয়নৰ প্ৰক্ৰিয়াত এক সক্ৰিয় ভূমিকা পালন কৰে।

১১.৬ ভাৰতীয় অৰ্থনীতিত অনা-বেংক বিত্তীয় প্ৰতিষ্ঠানৰ ভূমিকা

এটা অনা-বেংক বিত্তীয় প্ৰতিষ্ঠান (Non-Banking Financial Intermediary: NBFI) বা অনা-বেংক বিত্তীয় কোম্পানী (Non-Banking Financial Corporation: NBFC) হ'ল এক বিত্তীয় প্ৰতিষ্ঠান, যাৰ সম্পূৰ্ণ বেংকিং অনুজ্ঞা-পত্ৰ (Licence) নাথাকে বা ইয়াক কোনো ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় বেংকিং নিয়ন্ত্ৰণ অভিকৰণৰ দ্বাৰা নিৰীক্ষণ কৰা নহয়। NBFI য়ে বেংকৰ লগত জড়িত বিত্তীয় সেৱা সমূহ, যেনে বিনিয়োগ, ক্ষতিশংকা বিতৰণ (Risk Pooling), ঠিকাভিত্তিক সঞ্চয় আৰু বজাৰ দালালী ইত্যাদি কাৰ্য সম্পাদন কৰে। এইবোৰৰ উদাহৰণ হ'ল HDFC Ltd, Aditya Birla Finance Ltd, LIC Housing Finance Ltd., Bajaj Finance আৰু India Bulls Housing Finance Ltd.

অনা-বেংক বিত্তীয় প্ৰতিষ্ঠান সমূহে ভাৰতীয় বিত্তীয় ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গ্ৰহণ কৰি আহিছে। NBFI বোৰ হ'ল প্ৰধানতঃ সঞ্চয় সংগ্ৰহ আৰু ঋণ প্ৰদান কাৰ্যত নিয়োজিত বিত্তীয় মধ্যভোগী। এইবোৰে সীমিত বিত্তীয় সম্পদ সমূহক মূলধন গঠনলৈ পৰিবৰ্তিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। NBFI সমূহে কৰ্পোৰেট খণ্ডৰ বৰ্ধিত বিত্তীয় প্ৰয়োজন সমূহ অসংগঠিত খণ্ড আৰু স্থানীয় ক্ষুদ্ৰ ঋণ লওঁতা সকলৰ ঋণ প্ৰদান আদি কাৰ্যত বেংকিং খণ্ডৰ পৰিপূৰক হিচাপে ভূমিকা পালন কৰে। NBFI সমূহৰ গঠন বেংকতকৈ শিথিল। বেংকৰ তুলনাত এইবোৰে ক্ষিপ্ৰ সিদ্ধান্ত ল'ব পাৰে, অধিক ক্ষতিশংকা (Risk) বহন কৰিব পাৰে। গ্ৰাহকৰ প্ৰয়োজন অনুসৰি সেৱা আৰু নিৰিখ নিৰ্ধাৰণ কৰিব পাৰে। এইবোৰৰ শিথিল গঠনে ইয়াৰ সঞ্চয়কাৰী আৰু বিনিয়োগকাৰী সকলক প্ৰতিযোগিতামূলক ভিত্তিত বিভিন্ন সেৱা আগবঢ়াই বজাৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰে।

বেংক বৰ্হিভূত গ্ৰাহক সকলৰ বিভিন্ন বিত্তীয় প্ৰয়োজন পূৰণ কৰাৰ জৰিয়তে দেশৰ সামগ্ৰিক উন্নয়ন তৰান্বিত কৰাত NBFI সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি, NBFI সমূহে প্ৰায়ে অতি ক্ষুদ্ৰ (Micro), ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ সমূহলৈ (MSMEs) তেওঁলোকৰ ব্যৱসায়িক প্ৰয়োজনৰ আটাইতকৈ উপযুক্ত উদ্ভাৱনীমূলক বিত্তীয় সেৱা প্ৰদানৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা পালন কৰে। পৰিবহনৰ ক্ষিপ্ৰ উন্নয়ন, নিয়োগ সৃষ্টি, সম্পদ সৃষ্টি, গ্ৰাম্যখণ্ডত বেংক ঋণ আগবঢ়োৱা আৰু সমাজৰ বিত্তীয় ভাৱে দুৰ্বল শ্ৰেণীৰ লোকক সমৰ্থন প্ৰদানৰ জৰিয়তে NBFI সমূহে অৰ্থনীতি এটাৰ বিকাশত অংশ গ্ৰহণ কৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গ্ৰাহক সকলক বীমাৰ লগত জড়িত ক্ষেত্ৰত জৰুৰী বিত্তীয় সাহায্য আৰু পৰামৰ্শ আগবঢ়ায়।

NBFI সমূহ হ'ল সঞ্চয় সংগ্ৰহ আৰু ঋণ প্ৰদান কাৰ্যত নিয়োজিত বিত্তীয় মধ্যভোগী আৰু এক সীমিত বিত্তীয় সম্পদ মূলধন গঠনলৈ পৰিবৰ্তিত কৰাত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। NBFI সমূহে ক'ৰ্পোৰেট খণ্ডৰ বৰ্ধিত বিত্তীয় প্ৰয়োজন সমূহ পূৰ কৰে আৰু লগতে অসংগঠিত খণ্ড আৰু স্থানীয় ক্ষুদ্ৰ ঋণ লওঁতা সকলক ঋণ প্ৰদান আদি কাৰ্যৰ যোগেদি বেংকিং খণ্ডৰ পৰিপূৰক হিচাপে ভূমিকা পালন কৰে। কিন্তু এইবোৰত কৃষিকাৰ্য, ঔদ্যোগিক কাৰ্য, বিক্ৰী ক্ৰয় বা স্থাবৰ সম্পত্তি নিৰ্মাণ আদি সেৱা অন্তৰ্ভুক্ত নাই। বেংকতকৈ বেলেগ হোৱা সত্বেও ভাৰতত NBFI সমূহ ভাৰতীয় বেংক উদ্যোগৰ বিধি আৰু নিয়ন্ত্ৰণৰ অধীনত।

NBFI সমূহে ব্যবসায়ৰ লগত জড়িত ঋণ তথা অগ্ৰীম, শ্বেয়াৰ গ্ৰহণ, হুণ্ডিক, ব'ণ্ড, ডিবেঞ্চাৰ, চৰকাৰে জাৰি কৰা চিকিউৰিটি বা অন্যান্য চিকিউৰিটি, বন্ধকী, ভাৰাক্ৰয়, বীমা ব্যৱসায়, চিট ব্যৱসায় আদি ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰে।

নিৰ্মাণ, আন্তগাঁথনি উন্নয়ন আৰু আনকি সাধাৰণ মানুহৰ মৌদ্ৰিক কাৰ্য-কলাপৰ মেৰুদণ্ড হিচাপে বেংকিং খণ্ডটি সদায়েই এক গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে বিবেচিত হৈ থাকিব। কিন্তু তৎসত্বেও, NBFI সমূহৰ ভূমিকাও মহত্বপূৰ্ণ আৰু এইবোৰৰ উপস্থিতিয়ে দেশৰ অৰ্থনীতিক সঠিক দিশত গতি কৰাত সহায় কৰে।

১১.৭ বিত্তীয় বজাৰত আৰম্ভ কৰা প্ৰধান সংস্কাৰ সমূহ

ভাৰতীয় বিত্তীয় বজাৰ মুদ্ৰা বজাৰ আৰু মূলধন বজাৰৰ দ্বাৰা গঠিত। মুদ্ৰা বজাৰ হ'ল নিকট মুদ্ৰা (Near Money) ৰ এক বজাৰ, যি হ্ৰস্বকালীন ঋণ গ্ৰহণ আৰু ঋণ প্ৰদানৰ লগত জড়িত। আকৌ, মূলধন বজাৰ হ'ল দীৰ্ঘকালীন ঋণ গ্ৰহণ আৰু ঋণ প্ৰদানৰ এক প্ৰতিষ্ঠানিক ব্যৱস্থাপনা। এচ চক্ৰৱৰ্তী কমিটি আৰু নৰসিংহম কমিটিৰ প্ৰতিবেদনৰ পিছত মুদ্ৰা বজাৰৰ কেতবোৰ প্ৰধান সংস্কাৰ কাৰ্যৱলী হাতত লোৱা হৈছিল। এইবোৰ তলত উল্লেখ কৰা হ'ল।

- **সুতৰ হাৰৰ নিয়ন্ত্ৰণ শিথিল কৰণঃ** ১৯৮৯ ৰ পিছত RBI এ উৰ্দ্ধতম সীমা (ceiling limit) উঠাৰ দিয়াৰ বাবে সুতৰ হাৰ নিৰ্দ্ধাৰণ বৰ্তমান বজাৰ অৱস্থাটোৰ ওপৰত নিৰ্ভৰশীল।
- **হ্ৰস্বকালীন (Call) আৰু দীৰ্ঘকালীন (Term) মুদ্ৰা বজাৰৰ সংস্কাৰঃ** মুদ্ৰা বজাৰ ব্যৱস্থাটোত অধিক তাৰল্য প্ৰদান কৰিবলৈ আৰু দৰ উদ্ভাৱনত সহায়ক হোৱাকৈ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন মুদ্ৰা বজাৰৰ সংস্কাৰ সাধন কৰা হৈছিল। সীমাবদ্ধতা সমূহ নিয়ন্ত্ৰণ কৰিবলৈ আৰু আঁতৰাবলৈ RBI এ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ প্ৰণালীবদ্ধ ভাৱে হাতত লৈছিল।
- **নতুন মুদ্ৰা বজাৰ আহিলাৰ সূচনাঃ** RBI য়ে বজাৰৰ বৈচিত্ৰ্যতা আনিবলৈ বহুতো নতুন নতুন মুদ্ৰা বজাৰ আহিলা সূচনা কৰিছে। এইবোৰৰ ভিতৰত ১৯৮৯ চনত জমাপত্ৰ (Certificate of Deposit), বাণিজ্যিক পত্ৰ (Commercial Papers), ১৯৯০ চনত আৰু ১৯৮৮ ত আন্তঃবেংক অংশগ্ৰহণ পত্ৰ আছিল প্ৰধান।
- **ভাৰতৰ ডিচ্‌কাউণ্ট আৰু ফাইনেল হাউচ স্থাপনঃ** অধিক তাৰল্য প্ৰদান আৰু গৌণ বজাৰ আহিলাৰ অধিক উন্নয়নৰ বাবে ১৯৮৮ত ভাৰতৰ 'ডিচকাউণ্ট আৰু ফাইনেল হাউচ' স্থাপন কৰা হৈছিল।
- **তাৰল্য সমাযোজন সুবিধাৰ সূচনাঃ** RBI য়ে ২০০০ চনৰ জুনত তাৰল্য সমাযোজন সুবিধা (Liquidity Adjustment Facility)ৰ সূচনা কৰিছিল, যাক স্থিৰ আৰু বিপৰীত ৰিপো (Repo) হাৰৰ জৰিয়তে কাৰ্যক্ষম কৰা হৈছিল।

আকৌ, সংস্কাৰৰ পিছৰ সময়ছোৱাত মূলধন বজাৰ উন্নয়নৰ বাবে চৰকাৰে কেইবালানিও ব্যৱস্থা হাতত লৈছিল যিয়ে মূলধন বজাৰক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। কেতবোৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা হ'ল—

- **শ্বেয়াৰৰ অভৌতিকি কৰণ** (Dematerialisation) ঃ গৌণ বজাৰত বিক্ৰী হোৱা সকলোবোৰ অংশপত্ৰ আৰু জনসাধাৰণলৈ জাৰি কৰা প্ৰাথমিক বজাৰৰ অংশপত্ৰসমূহৰ অভৌতিকি কৰণ কৰা হৈছিল। আনকি বন্দ আৰু ডিবেন্সাৰ সমূহো অভৌতিকি কৰণ ৰূপত অনুমোদন জনোৱা হৈছিল। অভৌতিক ব্যৱসায়ৰ সুবিধা এয়ে যে ই হ'ল কাগজবিহীন ব্যৱসায়।
- **স্ক্ৰিন ভিত্তিক ব্যৱসায়ঃ** নব্বৈৰ দশকত ভাৰতৰ সকলোবোৰ ষ্টক বিনিময় কেন্দ্ৰ কম্পিউটাৰৰ সহায়ত স্ক্ৰিন ভিত্তিক লেনদেন পদ্ধতি (Screen Based Trading System: SBTS) ৰ দ্বাৰা আধুনিকীকৰণ কৰা হৈছিল। ই সময়, ব্যয়, ভুল হোৱাৰ শংকা আৰু ভুৱাৰ পৰিমাণ হ্ৰাস

কৰে আৰু ইয়াৰ দ্বাৰা কার্যদক্ষতা বৃদ্ধি হয়। এই ব্যৱসায় পদ্ধতিয়ে বিভিন্ন অনুসন্ধান সুবিধাৰ দ্বাৰা সম্পূর্ণ অনলাইন বজাৰ তথ্য প্রদান কৰে।

- **চিকিউৰিটিজ আৰু একচেঞ্জ বর্ড অৰ ইণ্ডিয়া** (Securities and Exchange Board of India: SEBI)**ৰ প্রতিষ্ঠা** ঃ ১৯৯২ ৰ পৰা SEBI কার্যক্ষম হৈছিল। ইয়াক ভাৰতীয় ষ্টক একচেঞ্জ সমূহত চিকিউৰিটি বজাৰ আৰু বিনিয়োগ, মার্চেন্ট বেংকিং, প্রত্রীয় ব্যৱস্থাপনা আৰু ষ্টক দালাল সকলক লগত জড়িত কার্যকলাপ সমূহ নিয়ন্ত্রণ কৰাৰ বাবে প্রয়োজনীয় ক্ষমতাৰ দ্বাৰা প্রতিষ্ঠা কৰা হৈছিল। SEBI ৰ উদ্দেশ্য হ'ল দেশৰ প্রাথমিক আৰু গৌণ ষ্টক বজাৰ সমূহত বিনিয়োগকাৰী সকলৰ স্বার্থ সুৰক্ষা কৰা।
- **নেচনেল ষ্টক একচেঞ্জ** (National Stock Exchange: NSE)**ৰ প্রতিষ্ঠা** ঃ NSE ৰ প্রতিষ্ঠা ভাৰতৰ মূলধন বজাৰৰ এক মাইলৰ খুঁটি। বর্তমান, NSE হ'ল দেশৰ সর্ববৃহৎ ষ্টক বজাৰ।
- **বিনিয়োগকাৰীৰ সুৰক্ষা** ঃ ২০০১ ৰ ১অক্টোবৰৰ পৰা কেন্দ্রীয় চৰকাৰে বিনিয়োগকাৰীৰ শিক্ষা আৰু সুৰক্ষা পুঁজি (Investor Education and Protection Fund: IEPF) গঠনৰ বাবে জাননী জাৰি কৰিছিল ।
- **কেন্দ্রীয় চৰকাৰৰ চিকিউৰিটি ব্যৱসায়** ঃ সমগ্র দেশতে ক্ষুদ্র বিনিয়োগকাৰীকে ধৰি সকলো শ্রেণীৰ বিনিয়োগকাৰীৰ ব্যাপক অংশগ্রহণত উৎসাহ যোগাবৰ বাবে ২০০৩ চনত কেন্দ্রীয় চৰকাৰৰ চিকিউৰিটি ব্যৱসায় আৰম্ভ কৰা হৈছিল।
- **ঋণ মূল্যায়ন অভিকৰণ** (Credit Rating Agencies) ঃ বিভিন্ন ঋণ মূল্যায়ন অভিকৰণ যেনে—১৯৮৮ চনত Credit Rating information Services of India Ltd. (CRISIL), ১৯৯১ চনত Investment Information and Credit Rating Agency of India Ltd. (ICRA) ইত্যাদি মূলধন বজাৰৰ জৰুৰী প্রয়োজন পূৰণ কৰাৰ বাবে প্রতিষ্ঠা কৰা হৈছিল। এইবোৰে ঋণ প্রদানৰ লগত জড়িত কার্যাৱলী সম্পাদন কৰাত মার্চেন্ট বেংকাৰ, দালাল আৰু নিয়ন্ত্রণকাৰী কর্তৃপক্ষ ইত্যাদিকো সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ ভাৰতীয় অর্থনীতিত RBI ৰ কার্যৱলী সমূহ কি কি? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন ৪ ঃ ভাৰতীয় মূলধন বজাৰত সূচনা কৰা প্রধান সংস্কাৰ সমূহৰ বিষয়ে আলোচনা

কৰক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণিজ্যিক বেংক হ'ল ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংশ। উন্নৈশ শতিকাৰ আৰম্ভণি ভাগত প্ৰেচিডেন্সি বেংকৰ প্ৰতিষ্ঠাৰ লগে লগে বাণিজ্যিক বেংকৰ প্ৰণালীবদ্ধ ৰূপৰ সূচনা হৈছিল। বৰ্তমান ভাৰতত ২৭টা ৰাষ্ট্ৰীয়কৃত বেংকে কাম কৰি আছে। বেংকি খণ্ডৰ সংস্কাৰৰ সূচনা কৰাৰ লগে লগে ভাৰতীয় বেংক ব্যৱস্থাৰ গঠনতো এক উল্লেখনীয় পৰিবৰ্তন আহিল। বৰ্তমান ৩৮১ টা অনুসূচীত আৰু ২ টা অনা-অনুসূচীত বেংকে ভাৰতবৰ্ষত কাম কৰি আছে।
- আৰম্ভণিৰে পৰাই, বাণিজ্যিক বেংক সমূহে ভাৰতৰ অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতত বাণিজ্যিক বেংক সমূহে বিশেষকৈ সম্পদ আহৰণ, গ্ৰাম্য ঋণৰ যোগান, ক্ষুদ্ৰ উদ্যোগলৈ ঋণৰ যোগান ইত্যাদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বাণিজ্যিক বেংক সমূহে ক্ষুদ্ৰ সঞ্চয় আহৰণ আৰু বিভিন্ন ক্ষেত্ৰৰ পৰা বিত্তীয় সম্পদ সমূহ আহৰণৰ মূল্যবান সেৱা আগবঢ়াই আহিছে।
- গ্ৰাম্য বেংকিং খণ্ড সমৰ্থন কৰাৰ উদ্দেশ্যে, বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ ঋণৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ উদ্দেশ্যে বিগত সময়ছোৱাত সমগ্ৰ ভাৰততে আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠান বোৰে দেশৰ গ্ৰামাঞ্চলৰ সৰ্বাঙ্গীণ বিকাশৰ ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।
- গ্ৰাম্য সমাজৰ দুৰ্বল আৰু অৱহেলিত লোক সকললৈ বিভিন্ন ধৰণৰ ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংক সমূহে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।
- ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ অনুসৰি, অংশীদাৰ সকলৰ বেংক হিচাপে ১৯৩৫ চনৰ ১ এপ্ৰিলত ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) প্ৰতিষ্ঠা কৰা হৈছিল। ই নোট ছপা, বেংক সমূহৰ বেংক, চৰকাৰৰ বেংক, বৈদেশিক বিনিময় ভড়ালৰ ৰক্ষক, ঋণ নিয়ন্ত্ৰণ ইত্যাদি কেতবোৰ গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে।
- RBI এ বিভিন্ন বিকাশমূলক আৰু উন্নয়নমূলক কাৰ্যাৱলী সম্পাদন কৰে। ই বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান সমূহৰ যোগেদি উৎপাদনশীল উদ্দেশ্যত সঞ্চয় সংগ্ৰহ কৰাৰ প্ৰচেষ্টা চলায়।

- অনা-বেংক বিত্তীয় প্ৰতিষ্ঠান সমূহে ভাৰতীয় বিত্তীয় ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ অংশ হিচাপে কাৰ্য সম্পাদন কৰি আহিছে। NBFI বোৰ হ'ল প্ৰধানতঃ সঞ্চয় সংগ্ৰহ আৰু ঋণ প্ৰদান কাৰ্যত নিয়োজিত বিত্তীয় মধ্যভোগী।

ভাৰতীয় বিত্তীয় বজাৰ ঘাইকৈ মুদ্ৰা বজাৰ আৰু মূলধন বজাৰৰ দ্বাৰা গঠিত। মুদ্ৰা বজাৰৰ সংস্কাৰ সমূহ হ'ল-সুতৰ হাৰ নিয়ন্ত্ৰণ বা শিথিলকৰণ, হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন মুদ্ৰা বজাৰৰ সংস্কাৰ, মুদ্ৰা বজাৰত নতুন আহিলাৰ সূচনা, ভাৰতৰ ডিচকাউণ্ট আৰু ফাইনেন্সে হাউচ স্থাপন, তাৰল্য সমাযোজন সুবিধাৰ সূচনা আদি। আকৌ, মূলধন বজাৰৰ সংস্কাৰ সমূহ হ'ল শ্বেয়াৰৰ অভৌতিকি কৰণ, স্ক্ৰিন ভিত্তিক ব্যৱসায়, চিকিউৰিটি আৰু একচেঞ্জ বৰ্ড অৰ ইণ্ডিয়াৰ প্ৰতিষ্ঠা, নেচনেল ষ্টক একচ্চেঞ্জৰ প্ৰতিষ্ঠা, বিনিয়োগকাৰীৰ সুৰক্ষা আদি।

১১.৯ অধিক জানিবলৈ

1) Dhar, P.K. (2018). *Indian Economy: Its Growing Dimension.* New Delhi: Kalyani Publishers.
2) Datt, G and Mahajan, A. (2016). Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.
3) Misra, S.K. & Puri, V.K. (2018). *Indian Economy.* New Delhi: Himalya Publishing House.

১১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতীয় অৰ্থনীতিৰ উন্নয়নত বাণিজ্যিক বেংক সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বৰ্তমান বাণিজ্যিক বেংক সমূহ আগতকৈ অধিক গ্ৰাহক কেন্দ্ৰীক আৰু সেৱা উন্মুখ হৈছে। এইবোৰে উন্নত গ্ৰাহক সেৱা, চকাৰ ওপৰত বেংক, পত্ৰীয় ব্যৱস্থাপনা, ইলেক্ট্ৰ' মেগনেটিক কার্ডৰ বিতৰণ ইত্যাদি সুবিধাবোৰ আগবঢ়াইছে।

২ নং প্ৰশ্ন উত্তৰ ঃ RRB সমূহে প্ৰধানতঃ গ্ৰাম্য ভাৰতৰ অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠাৰ প্ৰধান উদ্দেশ্য আছিল অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ গ্ৰাম্য লোকসকল, বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক সকল, কাৰিকৰ সকল, কৃষি শ্ৰমিক সকল আৰু আনকি ক্ষুদ্ৰ উদ্যোগী সকলকো ঋণৰ যোগান ধৰা।

৩ নং প্ৰশ্ন উত্তৰ ঃ RBI ৰ গুৰুত্বপূৰ্ণ কার্যাৱলী সমূহ হ'ল— (ক) নোট ছপা (খ) চৰকাৰৰ বেংক (গ) বেংক সমূহৰ বেংক (ঘ) ঋণ নিয়ন্ত্ৰণ (ঙ) বৈদেশিক বিনিময় ভৰাঁলৰ ৰক্ষক (চ) উন্নয়নমূলক কার্যাৱলী।

৪ নং প্ৰশ্ন উত্তৰ ঃ মূলধন বজাৰত সূচনা কৰা প্ৰধান সংস্কাৰ সমূহ হ'ল—

(ক) শ্বেয়াৰৰ অভৌতিকিকৰণ (খ) স্ক্ৰিন ভিত্তিক ব্যৱসায় (গ) চিকিউৰিটি আৰু একচেঞ্জ বৰ্ড

অৰ ইণ্ডিয়াৰ প্ৰতিষ্ঠা (ঘ) নেচনেল ষ্টক একচেঞ্জৰ প্ৰতিষ্ঠা (ঙ) বিনিয়োগকাৰীৰ সুৰক্ষা আদি।

১১.১১ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ বাণিজ্যিক বেংক কি?

২ নং প্ৰশ্ন ঃ আঞ্চলিক গ্ৰাম্য বেংকৰ সংজ্ঞা দিয়ক।

৩ নং প্ৰশ্ন ঃ RBI কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল।

৪ নং প্ৰশ্ন ঃ UTI কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল।

৫ নং প্ৰশ্ন ঃ চকাৰ ওপৰত বেংক কি?

৬ নং প্ৰশ্ন ঃ পত্ৰীয় ব্যৱস্থাপনা কি?

৭ নং প্ৰশ্ন ঃ NBFI ৰ কেইটামান উদাহৰণ দিয়ক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনীতিত বাণিজ্যিক বেংকৰ পৰিবৰ্তিত ভূমিকা আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনীতিৰ বিকাশত আঞ্চলিক গ্ৰাম্য বেংকৰ ভূমিকাৰ সমালোচনাত্মক মূল্যায়ন কৰক।

৩ নং প্ৰশ্ন ঃ RBI ৰ বিকাশমূলক কাৰ্যাৱলী আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ ভাৰতীয় বিত্তীয় বজাৰত সূচনা কৰা সংস্কাৰ সমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***